# সমাজ বিজ্ঞান

## তৃতীয় শ্রেণী

গ্রুহিলচ্ লিখক সমিতি

গ্রুহিলচ্

# সমাজ বিজ্ঞান

## তৃতীয় শ্ৰেণী

গ্ৰহিলচ্ পাব্লিশ্বিং লিখক সমিতি

গ্ৰহিলচ্ পাব্লিশ্বিং

কমলপুৰ, বৰপেটা (অসম)

**Samaj Bijnan: A Text Book on Social Science For Class-III** composed by Growhills Publishing Writers Board, edited by Growhills Publishing Editorial Board and Published by Growhills Publishing.

.........................................................................................................................................

*All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means: electronic, mechanical, photocopying, recording or otherwise.*

This book is especially designed to meet the long-felt demand of private educational institutes of North-east India. The materials have been compiled and edited from various sources. The publisher is not aware of any copyright violations in any form which has been incurred while preparing this book. We are ready to appreciate and take immediate action to rectify and overcome such thing which has occurred unintentionally or unknowingly in any form towards anyone incase it is brought to our notice.

Any dispute is subject to Barpeta Jurisdiction.

**First Publication: September, 2016**

**Price : Rs ..................... /-**

**Published by**
**Growhills Publishing**
**Kamalpur, Barpeta (Assam)**

# পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ আগকথা

১

সাম্প্ৰতিক কালত আমাৰ দেশত জনসংখ্যা বৃদ্ধিৰ অনুপাতত চৰকাৰী পৃষ্ঠপোষকতাত পৰিচালিত শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি পোৱা নাই। সেয়ে আমাৰ দেশত, বিশেষকৈ আমাৰ অসমত, ব্যক্তিগত উদ্যমত বহুতো বেচৰকাৰী শিক্ষানুষ্ঠান গঢ়ি উঠিছে। কিন্তু চৰকাৰে ব্যক্তিগত উদ্যোগত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ প্ৰতি পিঠি দি আছে। এক সমীক্ষাৰ পৰা জনা গৈছে যে বৰ্তমান ক্ৰমঃবৰ্ধিত সংখ্যক ল'ৰা-ছোৱালীৰ বাবে প্ৰয়োজন হোৱা পৰ্যাপ্ত চৰকাৰী বিদ্যালয়ৰ অভাৱত অসমৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ ৪৫ শতাংশই ব্যক্তিগত বিদ্যালয়ত নামভৰ্তি কৰিবলৈ বাধ্য হৈছে। আনহাতে বেচৰকাৰী বিদ্যালয়সমূহে বিত্তীয় আৰু উপযুক্ত আন্তঃগাঁথনিৰ অভাৱত ভূগি থকাৰ ওপৰিও সেইবোৰে যি জলন্ত সমস্যাত ভূগি আছে সেয়া হৈছে পাঠ্যপুথিৰ অভাৱ। এয়া দুখৰ বিষয় যে ব্যক্তিগত বিদ্যালয়সমূহত চৰকাৰে কোনো পাঠ্যপুথি যোগান নধৰে। সেয়ে বেচৰকাৰী বিদ্যালয়সমূহে হয় নিজাববীয়াকৈ নাইবা অন্য ৰাজ্যৰ পৰা পাঠ্যপুথি আমদানি কৰিবলগা হৈছে। কিন্তু এনে পাঠ্যক্ৰমত সংহতি আৰু উপযুক্ত মানদণ্ডৰ অভাৱ পৰিলক্ষিত হোৱাত বেচৰকাৰী শিক্ষানুষ্ঠানসমূহে দুৰ্যোগ ভূগি আছে। এই দুৰ্যোগ দূৰ কৰাৰ উদ্দেশ্য লৈ গ্ৰীণহিলচ্ পাব্লিশ্বিং (প্ৰকাশন উদ্যোগ)ৰ তৰফৰ পৰা বেচৰকাৰী শিক্ষানুষ্ঠানসমূহৰ বাবে পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশৰ বাবে এক দুঃসাহসিক অভিযান আৰম্ভ কৰা হৈছে।

আমাৰ লক্ষ্য হৈছে চৰকাৰী সহায়-সহযোগিতা আৰু পৃষ্ঠপোষকতা নোপোৱা বেচৰকাৰী বিদ্যালয়সমূহৰ বাবে এক সুসংহত, সুপৰিকল্পিত পাঠ্যপুথি প্ৰণয়ন কৰা, প্ৰকাশ কৰা আৰু সুলভ মূল্যত যোগান ধৰা।

আমাৰ আঁচনিৰ সফল ৰূপায়ন কৰাৰ বাবে বহুকেইজন অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকাক লৈ আমি 'গ্ৰীণহিলচ্পাব্লিশ্বিং পাঠ্যপুথি গৱেষক সমিতি', 'গ্ৰীণহিলচ্ পাব্লিশ্বিং লিখক সমিতি' আৰু 'গ্ৰীণহিলচ্পাব্লিশ্বিং সম্পাদনা সমিতি' নামৰ তিনিখন সমিতি গঠন কৰিছোঁ। ইয়াৰ লগতে আমি সময়ে সময়ে বিশিষ্ট শিক্ষাবিদ,গৱেষক আৰু চিন্তাবিদসকলৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি আছোঁ।

আমাৰ আঁচনিৰ পাঠ্যপুথি প্ৰণয়ন কৰোঁতে আমি ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে যুগুতোৱা ৰূপৰেখাৰ আধাৰত প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহক আৰ্হি হিচাপে লৈছোঁ যদিও আমি আমাৰ গৱেষক সমিতিয়ে নিজাববীয়াকৈ যুগুতোৱা আৰ্হিও অনুকৰণ কৰিছোঁ।

পাঠ্যপুথি প্ৰস্তুতকৰণৰ সময়ত ৰাজ্যৰ স্থানীয় বৈশিষ্ট্য, পৰিবেশ, পৰম্পৰা, আৰ্থ-সামাজিক ভেটি আদিৰ প্ৰতি দৃষ্টি ৰখা হৈছে। লগতে যুগসাপেক্ষ তথা পৰিৱৰ্তিত পৰিস্থিতিৰ কথাও মনত ৰখা হৈছে। ভাষা, শব্দ চয়ন আৰু বানানৰ ক্ষেত্ৰত আমি 'হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰণয়ন কৰা 'চন্দ্ৰকান্ত অভিধান' অনুকৰণ কৰিছোঁ।

২

**সমাজ বিজ্ঞান** পুথিখন তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ্যপুথি হিচাপে প্ৰণয়ন কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ বয়স আৰু মনস্তাত্বিক দিশৰ প্ৰতি লক্ষ্য ৰাখি পুথিখনত সমাজ বিজ্ঞানৰ ধাৰণাসূচক কিছু দিশ আলোচনা কৰা হৈছে। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক বাস্তৱ উদাহৰণ আৰু শিক্ষণ সঁজুলিৰ সহায়ত পাঠবোৰ বুজাই দিব। পাঠ বুজাওঁতে শিক্ষাৰ্থীয়ে যাতে যথেষ্ট প্ৰশ্ন কৰিবলৈ সুযোগ পায় শিক্ষকে তালৈ চকু ৰাখিব।

আমাৰ আঁচনিত বহুতো পণ্ডিত আৰু গণ্যমান্য সমল ব্যক্তিৰ লগতে কেইবাটাও বেচৰকাৰী সংগঠন (N. G. O.) য়ে পৃষ্ঠপোষকতা, সহযোগিতা আৰু উৎসাহ-উদ্দীপনা আগবঢ়াইছে। তেখেতসকললৈ আমি আমাৰ হৃদয়ৰ অভ্যন্তৰৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

**চেপ্তেম্বৰ, ২০১৬**

**প্ৰকাশক**
**গ্ৰীণ হিলচ্ পাব্লিশ্বিং**

# সূচীপত্ৰ


| পাঠ নং | পাঠ শিৰোনামা | পৃষ্ঠা |
|---|---|---|
| পাঠ -১ | সমাজ বিজ্ঞান কি? | /৫ |
| পাঠ -২ | আমাৰ গছ-গছনি | /৭ |
| পাঠ- ৩ | নদ-নদী | /১১ |
| পাঠ -৪ | বায়ু আৰু আমাৰ চৌপাশ | /১৪ |
| পাঠ-৫ | আমাৰ অসম | /১৬ |
| পাঠ-৬ | আমাৰ অনুষ্ঠান-প্ৰতিষ্ঠান | /১৮ |
| পাঠ-৭ | আমাৰ খাদ্য সম্ভাৰ | /২১ |
| পাঠ-৮ | আমাৰ উৎসৱ-পাৰ্বন | /২৪ |
| পাঠ-৯ | কিছুমান প্ৰাকৃতিক দুৰ্যোগ | /২৭ |
| পাঠ-১০ | আমাৰ ৰাষ্ট্ৰীয় প্ৰতীকসমূহ | /৩১ |
| পাঠ-১১ | অসমৰ বাঁহ-বেত শিল্প | /২৫ |
| পাঠ-১২ | আজৰি সময়ৰ সদ ব্যৱহাৰ | /২৮ |

## পাঠ- ১

# সমাজ বিজ্ঞান কি ?



সমাজ বুলিলে সাধাৰণতে কিছুসংখ্যক মানুহ বা প্ৰাণী একেলগে পাৰস্পৰিক সহায়-সহযোগিতাৰ মাজেদি বসবাস কৰাকে বুজায়। বনৰীয়া চৰাই বা জীৱ-জন্তুবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে সিহঁতেও জাক পাতি ফুৰে। সন্ধিয়া আকাশত আমি বগা বগলীৰ জাক উৰি যোৱা দেখিবলৈ পাওঁ। অৰ্থাৎ একে জাতি বা প্ৰজাতিৰ প্ৰাণী একেলগে থাকিবলৈ লোৱাটো সিহঁতৰ সহজাত প্ৰবৃত্তি বা জন্মগত স্বভাৱ। মানুহো সামাজিক প্ৰাণী। সমাজ নোহোৱাকৈ কোনো মানুহেই সুস্থ আৰু সুন্দৰ জীৱন যাপন কৰিব নোৱাৰে। আনহাতে মানুহ হৈছে সৃষ্টি জগতৰ একমাত্ৰ প্ৰাণী যাৰ উদ্ভাৱনী শক্তি আছে। সমাজত মানুহৰ জীৱনটো অধিক সুন্দৰ, সুশৃঙ্খল, আৰামদায়ক, সুবিধাজনক আৰু নিৰাপদ কৰিবলৈ নানান ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, আইন-কানুন আদি উদ্ভাৱন কৰা হৈছে। সমাজ বিজ্ঞানে এই সকলোবোৰ অধ্যয়ন কৰে। অৰ্থাৎ সমাজত বাস কৰা মানুহ আৰু মানুহৰ লগত সম্পৰ্ক থকা সকলোবোৰ বিষয়ৰ শৃঙ্খলাবদ্ধ অধ্যয়নেই সমাজ বিজ্ঞান।

সমাজবিজ্ঞানে সাধাৰণতে তলত দিয়া বিষয়বোৰৰ অধ্যয়ন সামৰি লয়ঃ

(ক) মানুহৰ আচাৰ অনুষ্ঠান যেনে ঃ বিয়া-বাৰু, উৎসৱ পাৰ্বন, ধৰ্ম বিশ্বাস

(খ) সামাজিক শিষ্টাচাৰ, নৈতিকতা

(গ) মানুহৰ পোছাক-পৰিচ্ছদ

(ঘ) শৈক্ষিক অনুষ্ঠান

(ঘ) যোগাযোগ ব্যৱস্থা

(ঙ) পৰিবেশৰ বিভিন্ন উপাদান আৰু সেইবোৰৰ লগত মানুহৰ সম্পৰ্ক

(চ) সামাজিক অৰ্থনৈতিক অৱস্থা

(ছ) সামূহিক কল্যাণৰ লগত জড়িত চৰকাৰী -বেচৰকাৰী অনুষ্ঠানসমূহৰ কাৰ্যকলাপ

(জ) প্ৰশাসনীয় দিশবোৰ

(ক) মানৱ ক্ৰমবিকাশৰ ধাৰা

(ট) জনস্বাস্থ্য

(ঠ) শিল্প-কলা

(ড) যিকোনো সামাজিক সমস্যা আৰু সেইবোৰৰ সমাধানৰ উপায় ইত্যাদি।

মুঠতে সমাজ বিজ্ঞানৰ পৰিসৰ অতি বহল। সমাজত বসবাস কৰা মানুহৰ বৈষয়িক আৰু বৌদ্ধিক আচৰণৰ সকলোবোৰ বিষয় ই সামৰি লয়। অৱশ্যে অধ্যয়নৰ সুবিধাৰ বাবে সমাজ বিজ্ঞানক কেইবাটাও শাখাত ভাগ কৰা হৈছে। যেনে ঃ নৰদেহ বিজ্ঞান, ইতিহাস, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বিজ্ঞান, সমাজনীতি, মনোবিজ্ঞান, মনস্তত্ত্ব আদি।

## অনুশীলনী

১। উত্তৰ লিখা।

(ক) সমাজ বিজ্ঞান কাক বোলে?

(খ) সমাজ বিজ্ঞানে কি কি বিষয়ৰ অধ্যয়ন সামৰি লয়?

(গ) পৰিবেশ অধ্যয়ন সমাজ বিজ্ঞানৰ ভিতৰুৱা বিষয় হয় নে?

২। অধ্যয়নৰ সুবিধাৰ বাবে সমাজ বিজ্ঞানক কি কি ভাগত ভাগ কৰা হৈছে?

***শিক্ষকলৈ টোকা ঃ*** *পাঠটি বুজাওঁতে শিক্ষকে বাস্তৱ উদাহৰণৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক সমাজ বিজ্ঞানে সামৰি লোৱা বিষয়-বস্তুৰ আভাস দিব। বিস্তৃত তাত্ত্বিক আলোচনাৰ প্ৰয়োজন নাই। ছাত্ৰ-ছাত্ৰীসকলে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত পাই অহা 'আমাৰ পৰিবেশ' নামৰ বিষয়টিৰ পাঠবোৰো যে সমাজ বিজ্ঞানৰ পৰিসৰৰ ভিতৰুৱা বিষয় আছিল সেয়া বুজাই ক'ব।*


## পাঠ- ২

# আমাৰ গছ-গছনি



আমাৰ চাৰিওফালে আমি বহুতো গছ-গছনি দেখিবলৈ পাওঁ। যেনেঃ আম, জাম, চেগুন, কল, লাও, তুলসী, ধান, মাহ, লাও, জিকা, গোলাপ ইত্যাদি। গছ-গছনিক উদ্ভিদ বুলি কোৱা হয়। উদ্ভিদবোৰ মাটিফুটি জন্ম লয়। আমি লক্ষ্য কৰিলে দেখিম যে ইয়াৰ কিছুমান অতি ডাঙৰ, কিছুমান সৰু, কিছুমান জোপোহা জাতীয়, কিছুমান লতা জাতীয়। আকৌ ইয়াৰ কিছুমানৰ ফল আমি খাদ্য হিচাপে গ্ৰহণ কৰো, কিছুমান কাঠ হিচাপে, কিছুমানক খৰি হিচাপে আৰু কিছুমানক ঔষধি গছ হিচাপে ব্যৱহাৰ কৰোঁ। আকৌ ইয়াৰ কিছুমান গছ ভূমিত হয় আৰু কিছুমান গছ পানীত হয়। এনেদৰে গছৰ ওখ-চাপৰ, প্ৰকৃতি বা ব্যৱহাৰ অনুযায়ী আমি গছ-গছনিক সাধাৰণভাৱে কেইবাটাও শ্ৰেণীত ভাগ কৰিব পাৰোঁ। যেনেঃ বৃক্ষ জাতীয়, গুল্ম জাতীয়, লতা জাতীয় আৰু তৃণ জাতীয়। তলত এইবোৰৰ বিষয়ে সংক্ষেপে আলোচনা কৰা হ'ল।

আমি দেখা পাওঁ যে আম, জাম, শাল, চেগুন, আহঁত, গমেৰী, তিতাচপা আদি গছবোৰ বৰ ডাঙৰ, গা-গছ শকত আৰু ডাল-পাতেৰে ভৰি থাকে। এনেধৰণৰ ডাঙৰ গছবোৰক **বৃক্ষ জাতীয় গছ** বোলে। বৃক্ষ জাতীয় গছৰ পৰা আমি কাঠ পাওঁ আৰু সেই কাঠৰ পৰা দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা চকী, মেজ, বেঞ্চ, ডেস্ক, দুৱাৰ, খিৰিকী আদি বিভিন্ন ধৰণৰ বস্তু সজা হয়।


আমাৰ চৌপাশৰ কিছুমান লোকৰ ঘৰৰ চৌহদত আমি নানা ধৰণৰ ফুল গছ যেনে ঃ গোলাপ, তগৰ, জবা, শেৱালি, চম্পা আদি দেখিবলৈ পাওঁ। এনে গছবোৰ সাধাৰণতে চাপৰ আৰু জোপোহা জাতীয়। এনে চাপৰ আৰু জোপোহা গছবোৰক **গুল্ম জাতীয় গছ** বোলা হয়। অসমৰ হাবিত বহুত ধৰণৰ গুল্ম জাতীয় গছ আছে। অসমৰ এবিধ বাণিজ্যিক গুল্ম জাতীয় গছ হ'ল চাহ গছ। অসমত বহুতো চাহ বাগিছা আছে। অসমৰ চাহ পৃথিৱী বিখ্যাত।

আমি গাওঁ অঞ্চলত প্ৰায়েই লাউ, কোমোৰা, জিকা, ভোল, তিয়ঁহ, পাণ পিপলি আদি গছ দেখিবলৈ পাওঁ। এন গছবোৰ বগাই যায়। এনে গছবোৰ কোমল আৰু লেহুকা। এইবোৰ বগাই যাবৰ বাবে বাঁহেৰে চাং সাজি দিয়া হয়। ইয়াৰ কিছুমান আন গছত বগাই যায়। যেনে ঃ পিপলি, পাণ আদি। এনেদৰে বগাই যোৱা উদ্ভিদবোৰক **লতা জাতীয় গছ** বোলা হয়।





আমি খেতি-পথাৰলৈ লক্ষ্য কৰিলে ধান, গম, যব, ঘাঁহ, বন, বিৰিনা আদি দেখিবলৈ পাওঁ। এই উদ্ভিদবোৰ সৰু আৰু ইয়াৰ গা-গছো কোমল। এইবোৰক **তৃণজাতীয় গছ** বোলে। তৃণ জাতীয় গছবোৰৰ ভিতৰত বাঁহ হৈছে আটাইতকৈ ওখ উদ্ভিদ। ইয়াৰ ভিতৰভাগ ফোঁপোলা।

গছ-গছনিবোৰ পৰিবেশৰ এক প্ৰধান উপাদান। গছ-গছনি নোহোৱাকৈ জীৱ জগত জীয়াই থকা অসম্ভৱ। কাৰণ গছ-গছনিয়ে আমাক বিভিন্ন ধৰণে উপকাৰ কৰি আছে। আমাৰ সকলো প্ৰকাৰৰ খাদ্য গছ-গছনিৰ পৰা পাওঁ। বৃক্ষজাতীয় গছৰ কাঠৰ পৰা আমি ঘৰ-দুৱাৰ সজাৰ উপৰিও নানা ধৰণৰ আচবাব-পত্ৰ তৈয়াৰ কৰোঁ। কপাহ আৰু শিমলু গছৰ পৰা সূতা পাওঁ আৰু সেই সূতাৰ পৰা আমি আমাৰ প্ৰয়োজনীয় কাপোৰ-কানি তৈয়াৰ কৰোঁ। কিছুমান গছ যেনে ঃ অগৰ, চন্দন, ইলাচি, দালচিনি, নিম আদি ঔষধ আৰু সুগন্ধি দ্ৰব্য তৈয়াৰ কৰাত ব্যৱহাৰ কৰা হয়। গছ-গছনিয়ে বায়ুমণ্ডলৰ পৰা আমাৰ বাবে ক্ষতিকাৰক কাৰ্বনডাই-অক্সাইড গেছ শুহি লয় আৰু আমাৰ বাবে অতি প্ৰয়োজনীয় অক্সিজেন গেছ এৰি দিয়ে। ইয়াৰ উপৰিও গছ-গছনিয়ে মানুহৰ লগতে অন্যান্য জীৱ-জন্তু, চৰাই-চিৰিকতি আদিক ছাঁ আৰু আশ্ৰয় দান কৰে। ই প্ৰকৃতিৰ সৌন্দৰ্যও বৰ্দ্ধন কৰে। মুঠতে গছ-গছনিয়ে প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়ো ধৰণে আমাক প্ৰতি মুহূৰ্ততে উপকাৰ কৰি আছে।

সেয়ে গছ-গছনিক আমি আমাৰ প্ৰকৃত বন্ধু বুলি ভাৱি ইয়াক ৰক্ষণাবেক্ষণ দিব লাগে।

## অনুশীলনী

১। উত্তৰ লিখা।

(ক) উদ্ভিদ কাক কয়?

(খ) গছ-গছনিক উদ্ভিদ বুলি ক'ব পাৰি নে?

(গ) বৃক্ষ জাতীয় গছ কাক বোলে? পাঁচবিধ বৃক্ষ জাতীয় গছৰ নাম লিখা।

(ঘ) গুল্ম জাতীয় গছ কাক বোলে? পাঁচবিধ গুল্ম জাতীয় গছৰ নাম লিখা।

(ঙ) লতা জাতীয় গছ কাক বোলে? পাঁচবিধ লতা জাতীয় গছৰ নাম লিখা।

(চ) তৃণ জাতীয় গছ কাক বোলে? পাঁচবিধ তৃণ জাতীয় গছৰ নাম লিখা।

(ছ) লতা জাতীয় গছৰ ভিতৰত আটাইতকৈ ওখ গছবিধৰ নাম লিখা।

(জ) পাঁচবিধ ঔষধি গছৰ নাম লিখা।

(ঝ) গছ-গছনিয়ে বায়ুমণ্ডলৰ পৰা কি গেছ শুহি লয় আৰু কি গেছ এৰি দিয়ে ?

২। খালী ঠাই পূৰণ কৰা।

(ক) চেগুন এবিধ .................. জাতীয় উদ্ভিদ।

(খ) জলকীয়া গছ এবিধ .............. জাতীয় উদ্ভিদ।

(গ) পাণ এবিধ .................... জাতীয় উদ্ভিদ।

(ঘ) গম এবিধ .................. জাতীয় উদ্ভিদ।


(ঙ) তৃণ জাতীয় গছৰ ভিতৰত ................ আটাইতকৈ ওখ উদ্ভিদ।

৩। গছ-গছনিয়ে আমাক কিদৰে উপকাৰ কৰে বৰ্ণনা কৰা।

৪। তোমাৰ চৌপাশত কি কি উদ্ভিদ দেখিবলৈ পোৱা ? গুল্ম জাতীয়, তৃণ জাতীয় আৰু বৃক্ষ জাতীয় গছবোৰৰ এটি তালিকা প্ৰস্তুত কৰা।

০ ০ ০

# পাঠ- ৩
# নদ-নদী

তোমালোকে দ্বিতীয় শ্ৰেণীত ধাৰণা পাই আহিছা যে মানুহৰ লগতে আমাৰ চাৰিওফালে  থকা গছ-বন, নদ-নদী, পাহাৰ  -পৰ্বত, ৰাস্তা-ঘাট, হাট-বজাৰ, খেতি-পথাৰ, জান-জুৰি, জীৱ-জন্তু, হাবি-বননি, চৰাই-চিৰিকতি আদি আমাৰ পৰিবেশৰ একো-একোটা উপাদান। পৰিবেশৰ প্ৰতিটো উপাদানে মানৱ জাতিক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় কৰি আছে। এই অধ্যায়ত তোমালোকক পৰিবেশৰ এক অংগ নদ-নদীৰ বিষয়ে আলোচনা কৰা হ'ব।

নদ-নদী, জান-জুৰি হ'ল বোঁৱতি পানী। ইয়াৰ উৎপত্তি সাধাৰণতে পাহাৰ-পৰ্বত, বিশাল হ্ৰদ,  পাহাৰৰ গিৰি-খাদ আদি। উদাহৰণ স্বৰূপে আমাৰ অসমৰ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ সৰহভাগ উপনদীৰ উৎস হ'ল হিমালয় পৰ্বত। হিমালয় পৰ্বতত যথেষ্ট পৰিমাণে বৰফ জমা হৈ আছে। সূৰ্যৰ তাপত সেই বৰফ গলি ভৈয়ামলৈ নদী আকাৰে বৈ আহে। নদী ওখ অঞ্চলৰ পৰা নিম্ন অঞ্চললৈ বৈ যায় আৰু ই বৈ বৈ অৱশেষত কোনো ডাঙৰ নদী বা সাগৰত পৰেগৈ। ওখ ঠাইৰ পৰা পানী বৈ আহোঁতে পানীৰ গতি খৰ হয় আৰু ভৈয়াম অঞ্চলৰ মাজেদি বৈ যাওঁতে ইয়াৰ গতি ধীৰ হয়। নদী এখন যি যি অঞ্চলৰ মাজেদি বৈ যায় সেই অঞ্চলক নদীৰ **অৱবাহিকা** বুলি কোৱা হয়।

নদী এখন বৈ যোৱাৰ লগে লগে বাটত জাবৰ-জোঁথৰ, ঘাঁহ-বন, বালি-মাটি,

গছ-গছনি আদি উটুৱাই লৈ যায়। এনেদৰে উটুৱাই লৈ অহা বস্তুবোৰক পলস বোলা হয়। পলসে মাটি সাৰুৱা কৰে। অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ অৱবাহিকা অঞ্চলত নদীখনে প্ৰতিবছৰ পলস পেলোৱা বাবে ইয়াৰ উপত্যকাত খেতি-বাতি উৰ্বৈনদী হয়।

পাহাৰ পৰ্বতৰ পৰা ভৈয়াম অঞ্চলৰ মাজেদি নদী এখন বৈ গৈ প্ৰথমে এখন ডাঙৰ নদী আৰু পিছত সাগৰত পৰেগৈ। যিটো অংশত এখন নদী আন এখন নদী বা সাগৰত পৰে তাকে নদীখনৰ **মোহনা** বোলে। মোহনা অঞ্চলত নদীয়ে ব-দ্বীপৰ সৃষ্টি কৰে। ব-দ্বীপ বিলাক দেখিবলৈ অসমীয়া 'ব' আখৰটোৰ দৰে হয় বাবে ইয়াক '**ব-দ্বীপ**' বুলি কোৱা হয়।

নদীক কেন্দ্ৰ কৰি প্ৰাচীন কালত কেইবাটাও ডাঙৰ ডাঙৰ সভ্যতা গঢ়ি উঠিছিল। উদাহৰণস্বৰূপে ভাৰতৰ সিন্ধু নদীক কেন্দ্ৰ কৰি সিন্ধু সভ্যতা, ইউফ্ৰেটিছ নদীক কেন্দ্ৰ কৰি বেবিলনীয় সভ্যতা, হোৱাংহো নদীক কেন্দ্ৰ কৰি চীন সভ্যতা, নীল নদীক কেন্দ্ৰ কৰি প্ৰাচীন মিছৰীয় সভ্যতা গঢ়ি উঠিছিল।



নদ-নদীয়ে আমাক বিভিন্ন ধৰণে উপকাৰ কৰি আছে। নদীয়ে পলস কঢ়িয়াই ইয়াৰ অৱবাহিকা অঞ্চল সাৰুৱা কৰে ফলত নানা ধৰণৰ শস্যৰ উৎপাদন বৃদ্ধি পায়। নদীয়ে জলপথৰ সৃষ্টি কৰে ফলত ব্যৱসায়-বাণিজ্যৰ উন্নতি হয়। নদীত নানান ধৰণৰ মাছৰ উৎপাদন হয়। বহুতো লোকে নদ-নদীত মাছ ধৰি জীৱিকা উপাৰ্জন কৰে। নদীৰ পৰা জলসিঞ্চনৰ ব্যৱস্থা কৰি খেতি-পথাৰত পানী যোগান ধৰিব পাৰি। আধুনিক যুগত ডাঙৰ ডাঙৰ নদীৰ পৰা জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰি বিদ্যুৎ উৎপাদন কৰা হৈছে।

নদ-নদীয়ে আমাক বিভিন্ন ধৰণে উপকাৰ কৰি আছে যদিও কেতিয়াবা কেতিয়াবা নদীয়ে অতিৰিক্ত পানী বৈ আনি ইয়াৰ দুয়োপাৰ উপচাই বানপানীৰ সৃষ্টি কৰে। বানপানীয়ে মানুহৰ শস্য পথাৰৰ বিস্তৰ ক্ষতি সাধন কৰাৰ লগতে বহুতো ঘৰ-বাৰী, ৰাস্তা-ঘাট, জীৱ-জন্তু, গছ-গছনি আদি উটুৱাই লৈ যায়। অৱশ্যে নদ-নদীৰ অপকাৰী দিশতকৈ ইয়াৰ উপকাৰী দিশ তুলনামূলকভাৱে অধিক।

# অনুশীলনী

১। উত্তৰ লিখা।

(ক) নদ-নদীৰ উৎপত্তিস্থল কি?

(খ) ব্ৰহ্মপুত্ৰ নদীৰ উৎস কি?

(গ) নদীৰ উৎপত্তি কিদৰে হয়?

(ঘ) নদীৰ অৱবাহিকা কাক কয়?

(ঙ) পলস কাক কয়?

(চ) মোহনা কাক বোলে?

(ছ) ব-দ্বীপ কি?

(জ) নদীক কেন্দ্ৰ কৰি সৃষ্টি হোৱা চাৰিটা সভ্যতাৰ নাম লিখা।

২। খালী ঠাই পূৰণ কৰা।

(ক) ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ সৰহভাগ উপনদীৰ উৎস হ'ল ......................... পৰ্বত।

(খ) নদী এখন যি অঞ্চলৰ মাজেদি বৈ যায় সেই অঞ্চলক নদীৰ ........................ বোলে।

(গ) যি ঠাইত এখন নদী আন এখন ডাঙৰ নদী বা সাগৰত পৰে সেই ঠাইক নদীখনৰ .............. বোলে।

(ঘ) ব-দ্বীপবিলাক আকৃতিত অসমীয়া '.....' আখৰৰ দৰে হয়।

(ঙ) সিন্ধু নদীক কেন্দ্ৰ কৰি গঢ়ি উঠা সভ্যতাৰ নাম .................... সভ্যতা।

(চ) ইউফ্ৰেটিছ নদীক কেন্দ্ৰ কৰি ........................... সভ্যতা গঢ়ি উঠিছিল।

(ছ) হোৱাংহো নদীক কেন্দ্ৰ কৰি .....................সভ্যতা গঢ়ি উঠিছিল।

(জ) নীল নদীক কেন্দ্ৰ কৰি ....................... সভ্যতা গঢ়ি উঠিছিল।

৩। নদ-নদীয়ে আমাক কিদৰে উপকাৰ কৰে বৰ্ণনা কৰা।

o o o

# পাঠ- ৪

# বায়ু আৰু আমাৰ চৌপাশ

আমাৰ বিশ্বত নানান ধৰণৰ বস্তু আছে। ইয়াৰ কিছুমান বস্তু আমি চকুৰে প্ৰত্যক্ষ কৰিব পাৰোঁ আৰু কিছুমান বস্তু চকুৰে প্ৰত্যক্ষ কৰিব নোৱাৰো। আমাৰ পৰিবেশত থকা অথচ চকুৰে দেখা নোপোৱা এবিধ প্ৰাকৃতিক বস্তু হ'ল বায়ু। প্ৰাণীয়ে উশাহ-নিশাহ ল'বলৈ বায়ুৰ প্ৰয়োজন। লক্ষ্য কৰিলে দেখা পাম যে উশাহ লওঁতে নিজৰ পেটটো ওপৰলৈ ফুলি উঠিছে আৰু নিশাহত পেটটো তললৈ নামি গৈছে। আমি উশাহত নাকেৰে বায়ু শৰীৰৰ ভিতৰত টানি লওঁ আৰু নিশাহত বায়ু এৰি দিওঁ বাবে এনে হয়। আমাৰ দৰে সকলো প্ৰাণী আৰু উদ্ভিদে উশাহ-নিশাহত বায়ু ব্যৱহাৰ কৰে। বায়ু যে অকল স্থলভাগতে থাকে এনে নহয়; ই কোনো বস্তুৰ ভিতৰত আৰু পানীতো থাকে।



এটা পাত্ৰত পানী ভৰাই তাত মাটিৰ সৰু শুকান চপৰা এটা পেলাই দিলে বৰুবুৰণি ওলোৱা দেখা পাওঁ। মাটিৰ চপৰাটোৰ ভিতৰত থকা বায়ু ওপৰলৈ উঠি আহে বাবে বুৰবুৰণি ওলায়। তেনেদৰে খালী বটল এটা পানীৰ ভিতৰত ডুবাই দিলে ভিতৰত থকা বায়ুখিনি বুৰবুৰ শব্দ কৰি বাহিৰলৈ ওলাই আহে আৰু বটলটো পানীৰে পূৰ্ণ হয়। গতিকে আমি বুজিলো যে বায়ু সকলোতে আছে। ইয়াক চকুৰে দেখা পোৱা নাযায় যদিও আমি ইয়াক অনুভৱ কৰিব পাৰোঁ। বায়ু যেতিয়া চলাচল কৰে তাক বতাহ বোলে।

আকৌ জোৰেৰে বলা বতাহক ধুমুহা বতাহ, লাহে লাহে বলা বতাহক ফিৰ্‌ফিৰিয়া বতাহ আৰু মৃদু ভাৱে বলা বতাহক মলয়া বতাহ বোলে।

বায়ুৰ নিজা কোনো গোন্ধ নাই; আনকি ইয়াৰ কোনো বৰণো নাই। কিন্তু বায়ুত অন্য বস্তু সহজে মিহলি হ'ব পাৰে। সেয়ে আমি ৰান্ধনি ঘৰত মাছ-মাংস ৰান্ধিলে আঁতৰৰ পৰা গোন্ধ পাওঁ। তেনেদৰে গেলা-পচা বস্তুৰ গোন্ধও আমি আঁতৰৰ পৰাই পাওঁ। প্ৰকৃতিত মুক্তভাৱে পোৱা বায়ু সাধৰণতে নিৰ্মল হৈ থাকে।

কিন্তু তাত পৰিবেশৰ অন্য বস্তু যেনে ধূলি-বালি, গেলা-পচা বস্তু, বীজাণু, বিভিন্ন ৰাসায়নিক পদাৰ্থ আদি মিহলি হৈ বায়ুক দূষিত কৰে। দূষিত বায়ু প্ৰাণী আৰু উদ্ভিদ জগতৰ বাবে অপকাৰী। দুষিত বায়ু সেৱন কৰিলে বিভিন্ন ধৰণৰ বেমাৰ-আজাৰ হয়। যেনে ঃ মূৰৰ বিষ, ছালৰ বেমাৰ, পানী লগা জ্বৰ, কাঁহ, হাওঁফাওঁৰ অসুখ ইত্যাদি। বায়ু দূষিত হোৱাৰ প্ৰধান উপকৰণবোৰ হৈছে — যান-বাহন, ক ল-কাৰখানা, আদিৰ পৰা ওলোৱা ধোঁৱা, ৰবৰ প্লাষ্টি ক আদি জ্বলালে তাৰ পৰা ওলোৱা ধোঁৱা, বিড়ি-চিগাৰেটৰ পৰা ওলোৱা ধোঁৱা, ফট্‌কা ফুটালে তাৰ পৰা ওলোৱা ধোঁৱা আদি। বায়ু মানুহৰ লগতে সকলো প্ৰাণীৰে অতি প্ৰয়োজনীয় বস্তু। সেয়ে আমি নিৰ্মল বায়ু সেৱন কৰাৰ ওপৰত গুৰুত্ব দিব লাগে। ইয়াৰ বাবে আমি আমাৰ বায়ুৰ ক্ষতি কৰিব পৰা বস্তুৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰি ৰাখিব লাগিব।

## অনুশীলনী

১। উত্তৰ লিখা।

(ক) বতাহ কাক বোলে ?

(খ) আমি উশাহ গ্ৰহণ কৰিলে আমাৰ পেটটো কিয় ফুলি উঠে ?

(গ) ফিৰ্‌ফিৰিয়া বতাহ কাক কয় ?

(ঘ) বায়ুৰ নিজা গোন্ধ আছে নে ?

(ঙ) পলস কাক কয় ?

(চ) বায়ু কিদৰে দুষিত হয় ?

২। খালী ঠাই পূৰণ কৰা।

(ক) পানীৰ মাজতো ................. থাকে।

(খ) ............. চলাচল কৰিলে তাক বতাহ বোলে।

(গ) বায়ুৰ কোনো ................. নাই।

(ঘ) মুক্তভাৱে পোৱা বায়ু সাধাৰণতে ............... হৈ থাকে।

(ঙ) যান-বাহনৰ পৰা ওলোৱা ধোঁৱাই .................. দূষিত কৰে।

৩। দূষিত বায়ু সেৱন কৰিলে আমাৰ কি কি অসুখ হ’ব পাৰে লিখা।

০ ০ ০

## পাঠ- ৫

# আমাৰ অসম



আমাৰ ৰাজ্যখনৰ নাম অসম। ই ভাৰতৰ এক অংগ ৰাজ্য। অসমৰ ৰাজধানী গুৱাহাটীৰ দিছপুৰত। ই উত্তৰ-পূৱ ভাৰতৰ এক সীমামূৰীয়া ৰাজ্য। ইয়াৰ উত্তৰে অৰুণাচল প্ৰদেশ আৰু ভূটান। দক্ষিণে নাগালেণ্ড, মিজোৰাম আৰু মেঘালয়। পূৱে অৰুণাচল, নাগালেণ্ড আৰু মণিপুৰ ৰাজ্য। পশ্চিমে পশ্চিমবংগ, মেঘালয়, ত্ৰিপুৰা আৰু বাংলাদেশ।

অতীজৰে পৰা অসমত ভিন ভিন জাতি আৰু জনজাতিৰ লোক বসবাস কৰি আছে। অসমত বসবাস কৰি থকা বড়ো, কছাৰী, কাৰ্বি, মিচিং, ৰাভা, ডিমাছা, গাৰো, তিৱা আদি ইয়াৰ খিলঞ্জীয়া অধিবাসী। এওঁলোকৰ নিজ নিজ ভাষা আৰু সংস্কৃতি আছে। পিছলৈ ইতিহাসৰ ভিন ভিন সময়ত অসমলৈ ভিন ভিন জাতিৰ প্ৰব্ৰজন হৈ বৃহত্তৰ অসমীয়া জাতি গঠন হয়।

প্ৰাচীন কালত ৰাজ্যখনৰ নাম প্ৰাগ্‌জ্যোতিষ নামেৰে জনাজাত আছিল।সেই সময়ত ইয়াৰ ৰাজধানী আছিল প্ৰাগ্‌জ্যোতিষপুৰ (বৰ্তমানৰ গুৱাহাটী)। পিছলৈ ৰাজ্যখনৰ নাম কামৰূপ নামেৰে জনাজাত হয়। ৰাজ্যখনৰ নাম প্ৰাগ্‌জ্যোতিষৰ সলনি কেনেকৈ ‘কামৰূপ’ হ’ল তাৰ এক আখ্যান আছে। আখ্যান মতে এবাৰ কামদেৱ নামৰ এজন দেৱতা মহাদেৱৰ কোপত ভস্ম হৈছিল। পিছত কামদেৱৰ পত্নী ৰতিদেৱীয়ে মহাদেৱক প্ৰাৰ্থনা কৰাত মহাদেৱ সন্তুষ্ট হৈ কামদেৱক পুনৰ

জীৱন দান কৰিছিল। এই দেশত কামদেৱে নিজৰ ৰূপ পুনৰ ঘূৰাই পোৱা বাবে ৰাজ্যখনৰ নাম 'কামৰূপ' হ'ল।

ত্ৰয়োদশ শতিকাৰ পৰা এই ৰাজ্যখনৰ নাম 'অসম' হিচাপে পৰিচিতি লাভ কৰে। অসম নামটো কেনেকৈ হ'ল এই সম্পৰ্কে কেইবাটাও মত আছে। তাৰে এটা মত হ'ল ১২২৮ খ্ৰীষ্টাব্দত বৰ্তমান ব্ৰহ্মদেশৰ পৰা টাই জাতিৰ এটা ঠাল এইখন ৰাজ্যলৈ আহি আধিপত্য বিস্তাৰ কৰে। সিহঁতে ৰাজ্যখন পাহাৰ-পৰ্বত, নদ-নদী আদিৰে অসমান পাইছিল । সেয়ে সিহঁতে ৰাজ্যখনক 'অসম' হিচাপে মাতিবলৈ লয়। আন এটা মত অনুসৰি আহোমসকল মহা পৰাক্ৰমী জাতি আছিল অৰ্থাৎ বলবিক্ৰমত সিহঁতৰ সমান আন কোনো জাতি নাছিল। তাকে বুজাবলৈ সিহঁতে 'অসম' শব্দটো ব্যৱহাৰ কৰিছিল।

## অনুশীলনী

১। উত্তৰ লিখা।

(ক) আমাৰ ৰাজ্যখনৰ নাম কি?

(খ) অসমৰ ৰাজধানী ক'ত?

(গ) অসমৰ চাৰিসীমা লিখা।

(ঘ) অসমৰ খিলঞ্জীয়া অধিবাসীসকল কোন?

(ঙ) অসমৰ প্ৰাচীন নাম কি আছিল?

(চ) আহোমসকল কেতিয়া অসমলৈ আহিছিল?

২। খালী ঠাই পূৰণ কৰা।

(ক) অসমৰ ৰাজধানী গুৱাহাটীৰ .....................ত।

(খ) প্ৰাচী ন কালত আমাৰ ৰাজ্যখন .............................. নামেৰে জনাজাত আছিল।

(গ) কামদেৱৰ পত্নীৰ নাম আছিল ...................... ।

৩। আমাৰ ৰাজ্যখনৰ নাম কামৰূপ কেনেদৰে হৈছিল?


৪। ৰাজ্যখনৰ নাম অসম কেনেদৰে হ'ল?

০ ০ ০

# পাঠ- ৬

# আমাৰ অনুষ্ঠান-প্ৰতিষ্ঠান

মানুহ সামাজিক প্ৰাণী। মানুহৰ সামাজিক প্ৰয়োজন পূৰণ কৰিবলৈ নানান ধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় লৈ উঠিছে। যেনে- শিক্ষানুষ্ঠান, ডাকঘৰ, চিকিৎসালয়, আৰক্ষী চকী, নানান ধৰ্মীয় অনুষ্ঠান ইত্যাদি। তলত এইবোৰৰ বিষয়ে সংক্ষেপে আলোচনা কৰা হ'ল ঃ



**শিক্ষানুষ্ঠান ঃ** সুস্থ সবল জীৱন যাপনৰ কাৰণে প্ৰয়োজনীয় বিদ্যা লাভ কৰিবলৈ সমাজত নানা ধৰণৰ শিক্ষানুষ্ঠান স্থাপন কৰা হৈছে। যেনে ঃ প্ৰাথমিক বিদ্যালয়, মাধ্যমিক বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদি।


শিক্ষানুষ্ঠানবোৰ পৰিচালনাৰ বাবে একোখন চৰকাৰী বা বেচৰকাৰী শিক্ষা সমিতি থাকে। বিদ্যালয়ত লিখা-পঢ়া শিকোৱাৰ উপৰিও কিছুমান বিদ্যালয়ত কাৰিকৰী শিক্ষাও প্ৰদান কৰা হয়। প্ৰতিখন বিদ্যালয়ত এজন মূৰব্বী থাকে। প্ৰাথমিক বিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ মুৰব্বীজনক প্ৰধান শিক্ষক, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কলেজৰ মুৰব্বীজনক অধ্যক্ষ বোলা হয়। বিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী মিলি এক পৰিয়ালৰ দৰে হয়। বিদ্যালয়ৰ শৈক্ষিক পৰিবেশ উন্নয়নৰ বাবে সকলোৱে সচেষ্ট থাকিব লাগে।




**ডাকঘৰ ঃ** যোগাযোগৰ এক মাধ্যম হিচাপে অৰ্থাৎ চিঠিপত্ৰ এঠাইৰ পৰা আন ঠাইলৈ আদান- প্ৰদান কৰিবলৈ দেশত ডাক ব্যৱস্থা গঢ়ি উঠিছে। ডাকৰ কাৰ্যালয়ক ডাকঘৰ বোলে। ডাক ব্যৱস্থা পৰিচালনা কৰিবৰ বাবে প্ৰতিখন ডাকঘৰত এজন পোষ্টমাষ্টৰ থাকে। তেওঁক সহায় কৰিবলৈ সহকাৰী কৰ্মচাৰীও থাকে।

চিঠিপত্ৰ বিলি কৰিবলৈ এজন বা ততোধিক ডাকোৱাল থাকে। ডাক ব্যৱস্থাই যোগাযোগৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আছে।

**চিকিৎসালয় ঃ** বেমাৰ-আজৰৰ চিকিৎসা কৰিবলৈ নগৰ-চহৰ আনকি আজিকালি গাওঁ অঞ্চলতো. চৰকাৰী আৰু বেচৰকাৰী চিকিৎসালয় স্থাপন কৰা হৈছে। চিকিৎসালয়ত ৰোগীৰ চিকিৎসাৰ বাবে ডাক্তৰ আৰু




ৰোগীক চোৱা-চিতা কৰিবলৈ নাৰ্চ থাকে। চিকিৎসালয় পৰিচালনা কৰিবলৈ এজন অধীক্ষক থাকে। চৰকাৰী চিকিৎসালয়সমূহত কিছু পৰিমাণে ঔষধ বিনামূলীয়াকৈ প্ৰদান কৰা হয়। প্ৰায়বোৰ চিকিৎসালয়ত জৰুৰীকালীন চিকিৎসা সেৱাৰ ব্যৱস্থা আছে।




**আৰক্ষী চকী ঃ** মানৱ সমাজত শান্তি, শৃঙ্খলা আৰু নিৰাপত্তা প্ৰদান কৰিবলৈ ঠায়ে ঠায়ে আৰক্ষী চকীৰ ব্যৱস্থা কৰা হৈছে। আৰক্ষী চকীত নিৰাপত্তা বাহিনী থাকে। নিৰাপত্তা বাহিনীৰ এজন অধীক্ষক থাকে। আৰক্ষী কৰ্মীসকলে একেধৰণৰ পোছাক পৰিধান কৰিব লাগে। একো একোখন আৰক্ষী চকী কোনো এক নিৰ্দ্দিষ্ট এলেকাৰ শান্তি, শৃঙ্খলা আৰু নিৰাপত্তাৰ দায়িত্বত থাকে। আৰক্ষীসকলে সুকলমে কাম-কাজ পৰিচালনাৰ বাবে সৰ্বসাধাৰণ ৰাইজৰ সহায়-সহযোগিতাৰ প্ৰয়োজন হয়।

**ধৰ্মীয় অনুষ্ঠান ঃ** মানুহৰ বাবে এক সৰল শৃঙ্খলাবদ্ধ আৰু নৈতিক জীৱন-যাপনৰ উপায় হিচাপে মানৱ সমাজত নানান ধৰ্মমত গঢ়ি উঠিছে। যেনে ঃ খৃষ্টান ধৰ্ম, ইছলাম ধৰ্ম, বৌদ্ধ ধৰ্ম, জৈন ধৰ্ম ইত্যাদি। প্ৰতিটো ধৰ্মক কেন্দ্ৰ



কৰি কিছুমান ধৰ্মীয় অনুষ্ঠান গঢ় লৈ উঠিছে। উদাহৰণ স্বৰূপে খৃষ্টানসকলৰ গীৰ্জা, ইছলাম ধৰ্মীয়লোকসকলৰ বাবে মছজিদ, জৈন সকলৰ বাবে সৎসঙ্গ বিহাৰ ইত্যাদি। ধৰ্মীয় অনুষ্ঠানসমূহত ধৰ্মীয় কাম-কাজ আৰু ৰাজহুৱাভাৱে ধৰ্মীয় উৎসৱ পালন কৰা হয়।

## অনুশীলনী

১। উত্তৰ লিখা।

(ক) সমাজত নানান ধৰণৰ অনুষ্ঠান প্ৰতিষ্ঠান কিয় গঢ়ি উঠিছে?

(খ) কেইখনমান ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ নাম লিখা।

(গ) সামজত কিয় শিক্ষানুষ্ঠান গঢ়ি উঠিছে?

(ঘ) প্ৰাথমিক বিদ্যালয়ৰ মূৰব্বীজনক কি বুলি কোৱা হয়?

(ঙ) দেশত ডাক ব্যৱস্থা কিয় গঢ়িতোলা হৈছে?

(চ) চিঠি বিল কৰা ব্যক্তিজনক কি বুলি কোৱা হয়?

(ছ) দেশত চিকিৎসালয় কিয় গঢ়ি তোলা হৈছে?

(ছ) আৰক্ষী চকীয়ে কি দায়িত্ব পালন কৰিব লাগে?

(জ) কি উদ্দেশ্যে ধৰ্ম সৃষ্টি কৰা হৈছে?

(ঝ) ধৰ্মীয় অনুষ্ঠানসমূহত কি কাম কৰা হয়।


২। শিক্ষানুষ্ঠানৰ ওপৰত পাঁচটামান বাক্য লিখা।

৩। চিকিৎসালৰ দ্বাৰা আমি কিদৰে উপকৃত হৈ আছো লিখা।

o o o

# পাঠ- ৭

# আমাৰ খাদ্য-সম্ভাৰ



সকলো প্ৰাণীৰে জীয়াই থাকিবলৈ খাদ্যৰ প্ৰয়োজন। খাদ্যই আমাৰ শৰীৰত শক্তিৰ যোগান ধৰে, শৰীৰ বৃদ্ধিত সহায় কৰে আৰু শৰীৰটোক নানান বেমাৰ-আজাৰৰ পৰা সুৰক্ষা দিয়ে। আমি প্ৰতিদিন বিভিন্ন ধৰণৰ খাদ্যবস্তু গ্ৰহণ কৰোঁ। ইয়াৰ কিছুমান ফল জাতীয়, কিছুমান পাচলি জাতীয়, কিছুমান মাংস জাতীয়, কিছুমান মাহ জাতীয় ইত্যাদি। আমি গ্ৰহণ কৰা বিভিন্ন ধৰণৰ খাদ্যই ভিন ভিন কাম কৰে। উদাহৰণ স্বৰূপে চিৰা, পিঠা, ভাত, মাখন, ৰুটি, ঘিউ আদিয়ে আমাৰ শৰীৰত শক্তিৰ যোগান ধৰে। মাছ, মাংস, কণী, দাইল, গাখীৰ, মাহ আদিয়ে আমাৰ শৰীৰটো বৃদ্ধিত সহায় কৰে। আনহাতে সেউজীয়া শাক-পাচলি, গাজৰ, আমলখি, মাধুৰিআম, সুমথিৰা, শিলিখা আদিয়ে আমাৰ শৰীৰটোক বিভিন্ন বেমাৰ-আজাৰৰ পৰা ৰক্ষা কৰে। আমাৰ শৰীৰৰ সৰ্বাংগীন উপকাৰৰ বাবে আমাৰ খাদ্য সম্ভাৰত প্ৰতিদিন উক্ত প্ৰতিবিধ খাদ্যবস্তুৰ এবিধ বা দুবিধকৈ থাকিব লাগে।

খাদ্য আমাৰ শৰীৰৰ কাৰণে অত্যাৱশ্যকীয় যদিও কিছুমান খাদ্য-বস্তু যেনে ঃ শীতল পানীয়, আইচক্ৰীম, পেকেটত থকা চিপচ জাতীয় খাদ্য, অতিপাত

ভজা বস্তু আদি আমাৰ শৰীৰৰ বাবে অপকাৰী (ক্ষতিকাৰক)।

ইয়াৰ উপৰিও আমি প্ৰতিদিন গ্ৰহণ কৰা আন এবিধ অতি প্ৰয়োজনীয় খাদ্য হ'ল পানী। পানীক জীৱৰ প্ৰাণ বুলি কোৱা হয়। পানী সদায় শোধন কৰি খাব লাগে। আমি সাধাৰণতে গ্ৰহণ কৰা খাল, বিল, নৈ, পুখুৰী আদিৰ পানীত বোকা, জাবৰ-জোঁথৰ, নানা ৰাসায়নিক দ্ৰব্য মিহলি হৈ থাকে। ফলত পানী দুষিত হয়। এনে পানী খোৱাৰ উপযোগী কৰিবলৈ হ'লে তাত মিহলি হৈ থকা বেয়া বস্তুবোৰ আঁতৰ কৰিব লাগে। আমি পানী ফিল্টাৰ কৰি উতলালে পানী শোধন হয়। উতলোৱাৰ পৰিৱৰ্তে বীজাণুনাশক দ্ৰব্য পানীত মিহলি কৰিও পানী শোধন কৰিব পাৰি।

আমি খোৱা বস্তু গ্ৰহণ কৰাৰ আগতে তলত দিয়া নীতি-নিয়মবোৰ পালন কৰিব লাগে। যেনে ঃ

(ক) আমি গ্ৰহণ কৰা আহাৰ সদায় পৰিষ্কাৰ হ'ব লাগে।

(খ) খোৱাৰ আগতে হাত দুখন ভালদৰে ধুব লাগে।

(গ) খোৱা বস্তু সদায় ভালদৰে ঢাকি ৰাখিব লাগে।

(ঘ) সদায় পৰিষ্কাৰ বাচন-বৰ্তন ব্যৱহাৰ কৰিব লাগে।

(ঙ) ফল-মূল, শাক-পাচলি আদি ভালদৰে ধুইহে খাব লাগে।

(চ) মুকলিকৈ ৰখা খাদ্য বস্তু গ্ৰহণ কৰিব নালাগে।

(ছ) সদায় শোধন কৰা পৰিষ্কাৰ পানীহে খাব লাগে।

আমাৰ শৰীৰটোক ভালে ৰাখিবলৈ আন কিছুমান নীতি-নিয়মো মানি চলিব লাগে। যেনে ঃ

(ক) ৰাতি শোৱাৰ আগতে আৰু শুই উঠি ভালদৰে দাঁত ঘঁহিব লাগে।

(খ) য'তে-ত'তে থু-খেঁকাৰ পেলাব নালাগে।

(গ) নখ চুটিকৈ কাটিব লাগে।

(ঘ) আমি ব্যৱহাৰ কৰা শৌচাগাৰ পৰিষ্কাৰ হ'ব লাগে।

(ঙ) শৌচ কৰাৰ পিছত চাবোনেৰে হাত-ভৰি পৰিষ্কাৰকৈ ধুৱ লাগে।

এইবোৰ নীতি-নিয়ম মানি চলাৰ উপৰিও আমি নিয়মিত ব্যায়াম আৰু খেলা-ধুলাও কৰিব লাগে। আমি প্ৰতিদিন খোজ কাঢ়িব লাগে। খোজকঢ়া এবিধ ভাল ব্যায়াম। ব্যায়াম কৰিলে শৰীৰত তেজ চলাচল বৃদ্ধি হয় আৰু শৰীৰ সবল হয়, জঠৰতা আৰু অলসতা দূৰ হয়।

আমাৰ শৰীৰটোক স্বাস্থ্যবান আৰু সতেজ কৰি ৰাখিবলৈ বিশ্ৰাম বা জিৰণিৰো প্ৰয়োজন। সৰু ল'ৰা-ছোৱালীৰ বাবে কমেও আঠ ঘন্টা টোপনিৰ প্ৰয়োজন আৰু ডাঙৰ মানুহৰ কাৰণে ছয়ৰ পৰা সাত ঘন্টা টোপনিৰ অতীব প্ৰয়োজন। টোপনি ভাল হ'লে শৰীৰৰ অংগ-প্ৰত্যংগই কাম কৰিবলৈ সতেজ হৈ উঠে।

## অনুশীলনী

১। উত্তৰ লিখা।

(ক) খাদ্যই আমাৰ শৰীৰৰ বাবে কি কি কাম কৰে?

(খ) কি কি খাদ্য বস্তুই আমাৰ শৰীৰত শক্তিৰ যোগান ধৰে?

(গ) কি কি খাদ্য বস্তুয়ে আমাৰ শৰীৰটো বৃদ্ধিত সহায় কৰে?

(ঘ) কি কি খাদ্য বস্তুয়ে আমাৰ শৰীৰটোক বিভিন্ন বেমাৰৰ পৰা ৰক্ষা কৰে?

(ঙ) কেনেকুৱা খাদ্য বস্তু আমাৰ শৰীৰটোৰ কাৰণে অপকাৰী?

(চ) আমি কেনেকুৱা পানী খাব লাগে?

(ছ) কি কি কাৰণত পানী দূষিত হয়?

চ। খালী ঠাইপূৰণ কৰা।

(ক) আমি গ্ৰহণ কৰা আহাৰ সদায় ................. হ'ব লাগে।

(খ) মুকলিকৈ ৰখা খাদ্যবস্তু গ্ৰহণ কৰিব .................. ।

(গ) য'তে-ত'তে .................... পেলাব নালাগে।

(ঘ) সদায় শোধন কৰা পৰিষ্কাৰ ...................... খাব লাগে।

(ঙ) .............. চুটিকৈ কাটিব লাগে।

২। আমি শৰীৰটোক ভালে ৰাখিবলৈ কি কি নীতি-নিয়ম মানি চলিব লাগে?

০ ০ ০

# পাঠ- ৮

# আমাৰ উৎসৱ-পাৰ্বন






উৎসৱ বুলিলে স্ফূৰ্তি, আনন্দ আদিৰ কথাই মনলৈ আহে । উৎসৱত আমি নতুন পোছাক পিন্ধো, বিভিন্ন ধৰণৰ সোৱাদলগা খাদ্য খাওঁ, গীত গাওঁ, নাচো, ঢোল-পেঁপা বজাওঁ ইত্যাদি। উৎসৱৰ লগত কিছুমান নীতি-নিয়মো জড়িত থাকে। উৎসৱ একোটা অঞ্চল, একোটা ৰাজ্য, একোটা সম্প্ৰদায় বা একোটা জাতিৰ মানুহে মিলিজুলি পালন কৰে। অৰ্থাৎ উৎসৱ হ'ল একোটা অঞ্চল, এখন ৰাজ্য বা এটা জাতিৰ মানুহে আনন্দ স্ফূৰ্তিৰে কিছুমান নীতি নিয়ম মানি চলি একেলগে পালন কৰা অনুষ্ঠান। উৎসৱত আনন্দ-স্ফূৰ্তি কৰা হয় যদিও আনন্দ আৰু স্ফূৰ্তি কৰাই উৎসৱৰ একমাত্ৰ উদ্দেশ্য নহয়। একো একোটা উৎসৱৰ লগত একো-একোটা তাৎপৰ্যও জড়িত থাকে। উৎসৱৰ মাজেদি আমাৰ মাজত মিলা-প্ৰীতি, ভাতৃত্ববোধ, সহায়-সহযোগিতা আদি বৃদ্ধি পায়। আমি সাধাৰণতে পালন কৰা উৎসৱবোৰ হ'ল ঃ অন্নপ্ৰাসন, ন খোৱা, মহৰম, দুৰ্গা পূজা, সৰস্বতী পূজা, বিহু, বৰদিন, ঈদ, হোলি, দেৱালী, বাথৌ পূজা, জন্মাষ্টমী, মে দিৱস, গণতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস, শিল্পী দিৱস, শিশু দিৱস ইত্যাদি।

উক্ত উৎসৱবোৰৰ কিছুমান আমি ঘৰুৱাভাৱে, কিছুমান ৰাজহুৱাভাৱে আৰু কিছুমান গোটেই দেশজুৰি অৰ্থাৎ ৰাষ্ট্ৰীয়ভাৱে পালন কৰোঁ। সাধাৰণতে আমি ঘৰুৱাভাৱে পালন কৰা কিছুমান উৎসৱ হ'ল ঃ জন্মদিন, ন খোৱা, বিয়া, অন্ন

প্ৰাসন আদি। ঘৰুৱাভাৱে পালন কৰা উৎসৱত ওচৰ-চুবুৰীয়া বা আত্মীয়স্বজনে সহযোগ কৰে। ৰাজহুৱাভাৱে পালন কৰা উৎসৱ এটা অঞ্চলৰ বা এটা সম্প্ৰদায়ৰ মানুহে মিলিজুলি উমৈহতীয়াভাৱে পালন কৰে। এনে উৎসৱবোৰৰ ভিতৰত কিছুমান হ'ল ঃ ঈদ, দুৰ্গা পূজা, ফাতেহা-ই-দোৱাজ দহম, মহৰম, বাথৌপুজা, সৰস্বতী পূজা, আলি আই লৃগাং, ৰাখী বন্ধন আদি। আকৌ কিছুমান উৎসৱ আছে যিবোৰ সমগ্ৰ দেশজুৰি ৰাষ্ট্ৰীয় উৎসৱ হিচাপে পালন কৰা হয়। যেনে ঃ স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস, মে দিৱস, শিশু দিৱস আদি।

আমি পালন কৰা উৎসৱবোৰৰ কিছুমান কৃষিৰ লগত জড়িত, কিছুমান ধৰ্মৰ লগত জড়িত, কিছুমান ঐতিহ্যৰ লগত জড়িত, কিছুমান আদৰ্শৰ লগত জড়িত। কৃষি উৎসৱবোৰ খেতি-বাতি কৰা, খেতি চপোৱা আদি কামৰ লগত জড়িত। বিহু, আলি আই লৃগাং, বাথৌ, বাইখু, ভঠেলি, টুচু, কৰম পূজা, বাঁশ পূজা আদি কৃষিভিত্তিক উৎসৱ। বিহু অসমীয়াসকলে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে পালন কৰে।

ধৰ্মৰ লগত জড়িত উৎসৱবোৰ হ'ল ঃ ঈদ, মহৰম, ফাতেহা-ই-দোৱাহ দহম, দুৰ্গা পূজা, সৰস্বতী পূজা, বৰদিন, বুদ্ধ পূৰ্ণিমা আদি। এনে উৎসৱত আনন্দ স্ফূৰ্তিৰ মাজেৰে কোনো ধৰ্মৰ আদৰ্শক সোঁৱৰণ কৰা হয়।



স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস আদি জাতীয় ঐতিহ্যৰ দিৱস বুলি ক'ব পাৰি। এনে উৎসৱত জাতি এটাৰ ৰাজনৈতিক ঐতিহ্যক সোঁৱৰণ কৰা হয়।

মানৱ সমাজলৈ বা জাতি এটিলৈ বিশেষ অৱদান আগবঢ়াই থৈ যোৱা কোনো ব্যক্তিৰ জন্মদিনো আমি দিৱস বা উৎসৱ হিচাপে পালন কৰে। উদাহৰণ স্বৰূপে সৰ্ব্বপল্লী



ৰাধাকৃষ্ণণৰ জন্মদিন ৫ চেপ্তেম্বৰত শিক্ষক দিৱস, পণ্ডিত জাৱাহৰলাল নেহৰুৰ জন্মদিন ১৪ নভেম্বৰত শিশু দিৱস, জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম দিন ১৭ জানুৱাৰীত শিল্পী দিৱস হিচাপে আমি পালন কৰোঁ।

# অনুশীলনী

১। উত্তৰ লিখা।

(ক) উৎসৱ বুলিলে আমাৰ কিহৰ কথা মনলৈ আহে?

(খ) উৎসৱ বুলিলে কি বুজায়?

(গ) তিনিটামান ঘৰুৱা উৎসৱৰ নাম লিখা।

(ঘ) ৰাজহুৱাভাৱে পালন কৰা পাঁচোটা উৎসৱৰ নাম লিখা।

(ঙ) কৃষিৰ লগত জড়িত তিনিটা উৎসৱৰ নাম লিখা।

(চ) ধৰ্মৰ লগত জড়িত পাঁচোটা উৎসৱৰ নাম লিখা।

(ছ) ৰাজনৈতিক ঐতিহ্যক সোঁৱৰণ কৰা ভাৰতৰ দুটা উৎসৱ বা দিৱসৰ নাম লিখা।

২। খালী ঠাইপূৰণ কৰা।

(ক) ভাৰতত ৫ চেপ্তেম্বৰৰ দিনা ........................ দিৱস পালন কৰা হয়।

(খ) ১৪ নৱেম্বৰ ............. দিৱস হিচাপ পালন কৰা হয়।

(গ) ............. জানুৱাৰী অসমত শিল্পী দিৱস হিচাপে পালন কৰা হয়।

(ঘ) ................ ধৰ্মৰ লগত জড়িত এটি উৎসৱ।

(ঙ) .............. অসমৰ জাতীয় উৎসৱ।


৩। তোমাৰ অঞ্চলত স্থানীয়ভাৱে পালন কৰা উৎসৱৰ ওপৰত পাঁচটামান বাক্য লিখা।

০ ০ ০

## পাঠ- ৯

# কিছুমান প্ৰাকৃতিক দুৰ্যোগ

'দুৰ্যোগ' বুলিলে আমি সাধাৰণতে দুখৰ দিন বা বিপদৰ দিন বুলি বুজো। মাজে মাজে আমি অপ্ৰত্যাশিকভাৱে কিছুমান দুৰ্যোগৰ সন্মুখীন হওঁ। যেনে ঃ বানপানী, ভূমিকম্প, খৰাং বতৰ, ধুমুহা বতাহ, ভূমিস্খলন ইত্যাদি। এই দুৰ্যোগবোৰ প্ৰাকৃতিকভাৱে ঘটে। ইয়াত মানুহৰ কোনো হাত নাই। প্ৰাকৃতিক দুৰ্যোগত মানুহৰ জীৱন আৰু সম্পত্তি বিনষ্ট হয়।



প্ৰাকৃতিক দুৰ্যোগৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগিব **বানপানী**ৰ। নদ-নদী, খাল, বিল, পথাৰ আদিয়ে বহন কৰিব নোৱাৰাকৈ পানীৰ অতিৰিক্ত বাঢ়নীয়েই বানপানী। ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত বিহাৰ, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ আৰু অসম প্ৰতিবছৰেই বানপানীৰ কবলত পৰে।

বানপানীয়ে মানুহৰ খেতি-বাতি, ঘৰ-দুৱাৰ, জীৱ-জন্তু, সা-সম্পত্তি আদিৰ বিস্তৰ ক্ষতি সাধন কৰে। বানপানী হ'লে আমি তলত দিয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰিব লাগেঃ

(ক) ওখ নিৰাপদ ঠাইত আশ্ৰয় ল'ব লাগে।
(খ) পানীলৈ নামি যাব নালাগে।
(গ) খোৱা পানী উতলাই খাব লাগে।
(ঘ) ঘৰৰ বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰি দিব লাগে।
(ঙ) য'তে-ত'তে শৌচ-প্ৰসাৱ কৰিব নালাগে।

সম্ভাব্য বানপানীৰ আগতে তলত দিয়া বস্তুবোৰ আগতীয়াকৈ সংৰক্ষণ কৰি থ'ব লাগে ঃ

(ক) শুকান খাদ্য, কেৰাচিন তেল, খোৱা পানী, নৌকা, ভূৰ আদি।

(খ) বীজাণুনাশক দ্ৰব্য সংৰক্ষণ কৰি থ'ব লাগে।

(গ) অনাতাঁৰ আৰু দূৰদৰ্শনযোগে দিয়া ঘোষণা আৰু চৰকাৰে দিয়া জাননীৰ প্ৰতি সজাগ হৈ থাকিব লাগে।



**ভূমিকম্প** হৈছে আন এক প্ৰাকৃতিক দুৰ্যোগ। কেতিয়া ভূমিকম্পৰ আবিৰ্ভাৱ হয় তাৰ কোনো আগজাননী পোৱা নাযায়। সেয়ে ইয়াৰ ক্ষতিৰ পৰিমাণো কেতিয়াবা কেতিয়াবা বৰ্ণনাতীত হয়। ভূমিকম্পই গছ-গছনি উভালি পেলায়, ৰাস্তা-ঘাট, দলং আদি ভাঙি পেলায়, ঘৰ-দুৱাৰ, অট্টালিকা নিমিষতে ধ্বংসস্তূপত পৰিণত কৰে।

ভূমিকম্পৰ সময়ত আমি তলত দিয়া সাৱধাণতাসমূহ গ্ৰহণ কৰিব লাগে ঃ


(ক) ভূমিকম্পৰ সময়ত ঘৰৰ পৰা মুকলি ঠাইলৈ ওলাব লাগে।

(খ) ঘৰৰ পৰা বাহিব ওলাব নোৱাৰিলে ঘৰৰ চুকত আশ্ৰয় ল'ব লাগে।

(ঘ) মুকলি ঠাইত থাকিলে শুই পৰিব লাগে।

(ঙ) ঘৰৰ ভিতৰত থাকিলে বিচনা বা মেজৰ তলত আশ্ৰয় ল'ব লাগে।

(চ) বিদ্যালয়ত থকা সময়ত ভূমিকম্প হ'লে বেঞ্চ বা মেজৰ তলত আশ্ৰয় লৈ খুটাত ধৰি থাকিব লাগে।



প্ৰাকৃতিকভাৱে অকস্মাৎ উদ্ভৱ হোৱা আন এক দুৰ্যোগ হ'ল ধুমুহা বতাহ। ধুমুহা বতাহে মানুহৰ ঘৰ দুৱাৰ ভাঙি পেলোৱাৰ লগতে ডাঙৰ ডাঙৰ গছ উভালি পেলায়, খেতি-বাতিৰ বিস্তৰ ক্ষতি সাধন কৰে, বিজুলীতাঁৰৰ খুটি ভাঙি পেলায়। ধুমুহা বতাহৰ সময়ত ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিবলৈ তলত দিয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰিব লাগে —


(ক) পাৰ্যমানে নিৰাপদ স্থানত আশ্ৰয় ল'ব লাগে।

(খ) গছৰ তল বা বিজুলী তাঁৰৰ তলত থাকিব নালাগে।

(গ) জ্বলি থকা জুই নুমুৱাই দিব লাগে।

(ঘ) উভালি পৰা বা ভাঙি পৰা বিজুলী তাঁৰ স্পৰ্শ কৰিব নালাগে।

(ঙ) সঘনাই ধুমুহা বতাহ হোৱাৰ আশংকা থকা অঞ্চলত মানুহৰ বাসস্থান হিচাপে বাছনি কৰিব নালাগে।




প্ৰকৃতিত হঠাতে দেখা দিয়া আন এক দুৰ্যোগ হ'ল **খৰাং বতৰ**। একেৰাহে বহুত দিন বৃষ্টি নোহোৱা বা স্বাভাৱিকতকৈ অতি কম বৃষ্টি হোৱা অৱস্থাক খৰাং বতৰ বুলি কোৱা হয়। খৰাং বতৰত খেতি পথাৰ চিৰালফটা দি ফাটি যায়, মাটিৰ জীপাল শেষ হৈ যায়। ফলত খেতি-বাতি নষ্ট হৈ মানুহক খাদ্য সংকটত পেলায়।পানীৰ স্তৰ বহুত তললৈ নামি যায়। ফলত মানুহে খোৱা পানীৰ পৰাও বঞ্চিত হ'ব লগা হয়। খৰাং বতৰত আটাইতকৈ বেছি দুৰ্যোগ ভূগিব লগা হয় খেতিয়কসকলে।

ভূমিস্খলন হ'ল আন এক প্ৰাকৃতিক দুৰ্যোগ। ভূমিস্খলনত কোনো পাহাৰীয়া অঞ্চলৰ ভূমি অকস্মাৎ তললৈ খহি পৰে বা কোনো নৈ পৰীয়া ঠাইৰ পাৰৰ মাটি খহি গৰাখহনীয়াৰ সৃষ্টি কৰে।

প্ৰাকৃতিকভাৱে ঘটা এনে বিপৰ্যয়ৰ সময়ত দুৰ্দ্দশাৰ বলি হোৱা লোকসকলৰ প্ৰতি চুবুৰীয় ৰাজ্য আৰু ৰাষ্ট্ৰৰ দায়িত্ব আছে। এনে দুৰ্যোগৰ সময়ত চৰকাৰে আক্ৰান্ত লোকসকলক নিৰাপদ ঠাইলৈ নিয়াৰ ব্যৱস্থা কৰিব লাগে। যথাসম্ভৱ অতি সোনকালে উদ্ধাৰ কৰ্মী প্ৰেৰণ কৰিব লাগে। ইয়াৰ উপৰি আক্ৰান্ত লোকসকলেও এজনে আনজনক সহায় কৰাৰ মনোভাৱ পোষণ কৰিব লাগে।

# অনুশীলনী

১। উত্তৰ লিখা।

(ক) প্ৰাকৃতিক দুৰ্যোগ বুলিলে কি বুজা?

(খ) বানপানীয়ে আমাক কেনেদৰে ক্ষতি কৰে?

(গ) বানপানীৰ সময়ত আমি কি ব্যৱস্থা গ্ৰহণ কৰিব লাগে?

(ঘ) ভূমিকম্পৰ সময়ত আমি অৱলম্বন কৰিবলগীয়া সাৱধানতাসমূহ কি কি?

(ঙ) খৰাং বতৰ কাক বোলে?

(চ) ভূমিস্খলন বুলিলে কি বুজা?

২। খালী ঠাই পূৰণ কৰা ঃ

(ক) য'তে-ত'তে ...................... কৰিব নালাগে।

(খ) খৰাং বতৰত আটাইতকৈ বেছি দুৰ্যোগ ভূগিব লগা হয় ....................সকলে।

(গ) খৰাং বতৰত খেতি-পথাৰ .............. ফটাদি ফাটি যায়।

(ঘ) প্ৰাকৃতিক দুৰ্যোগত ................ ৰ হাত নাই।

(ঙ) বানপানীৰ সময়ত জীৱ-জন্তু, খেতি-পথাৰ আদিৰ বিস্তৰ ............ হয়।

৩। ধুমুহা বতাহৰ পৰা হ'ব পৰা ক্ষয়-ক্ষতিৰ পৰিমাণ আমি কিদৰে হ্ৰাস কৰিব পাৰোঁ?


৪। প্ৰাকৃতিক দুৰ্যোগৰ বলি হোৱা লোকৰ প্ৰতি ৰাষ্ট্ৰই কি দায়িত্ব পালন কৰা উচিত?

০ ০ ০

## পাঠ- ১০

# ভাৰতৰ ৰাষ্ট্ৰীয় প্ৰতীকসমূহ


বিশ্বৰ প্ৰায় সকলো সাৰ্বভৌম ৰাষ্ট্ৰৰে পৰিচয়সূচক কিছুমান প্ৰতীক বা চিহ্ন আছে। ভাৰতবৰ্ষই ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ইংৰাজৰ অধীনৰ পৰা স্বাধীনতা লাভ কৰে। তেতিয়াৰ পৰা ভাৰতবৰ্ষই ইয়াৰ পৰিচয় আৰু ঐতিহ্যবহনকাৰী কিছুমান প্ৰতীক বা চিহ্ন গ্ৰহণ কৰিছে। এইবোৰ হ'ল ঃ ৰাষ্ট্ৰীয় পতাকা, ৰাষ্ট্ৰীয় প্ৰতীক, ৰাষ্ট্ৰীয় জন্তু, ৰাষ্ট্ৰীয় চৰাই আৰু ৰাষ্ট্ৰীয় ফুল।




ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাখন খদ্দৰ কাপোৰেৰে তৈয়াৰী। ইয়াৰ দীঘ পুতলৰ দেৰ গুণ। ই তিনি বৰণীয়াঃ ওপৰত গেৰুৱা, মাজত শুকুলা (বগা) আৰু তলত সেউজীয়া। এই তিনিবৰণৰ ওপৰৰ গেৰুৱা ৰংটো স্বাধীনতা আন্দোলনত ভাৰতীয়সকলে স্বীকাৰ কৰা ত্যাগ আৰু সাহসক প্ৰতিনিধিত্ব কৰিছে। মাজৰ শুকুলা (বগা) ৰংটোৱে শান্তি আৰু সত্যক প্ৰতিনিধিত্ব কৰিছে। তলৰ সেউজীয়া ৰংটোৱে বিশ্বাস আৰু বীৰত্বক বুজাইছে। পতাকাখনৰ মাজত থকা বগা অংশত নীলা ৰঙৰ এটি চক্ৰ আছে। এই চক্ৰটোক 'অশোক চক্ৰ' বোলে। চক্ৰটোত মুঠ ২৪ ডাল দণ্ড বা শলা আছে। চক্ৰটোৱে পৰিৱৰ্তনৰ কথা সূচায়। এই চক্ৰটো ভাৰতৰ বাৰানসীৰ ওচৰৰ সাৰনাথত থকা এটি পুৰণি অশোক স্তম্ভৰ পৰা লোৱা হৈছে। গণৰাজ্য দিৱস (২৬ জানুৱাৰী) আৰু স্বাধীনতা দিৱসৰ (১৫ আগষ্ট) ত এই পতাকাখন উত্তোলন কৰা হয়। এই দুই দিৱসত দেশৰ সকলো নাগৰিকে ৰাষ্ট্ৰীয় পতাকাখন ঘৰে ঘৰে উত্তোলন কৰিব পাৰে। পতাকাখন উত্তোলনৰ সময়ত ইয়াৰ গেৰুৱা ৰংটো সদায় ওপৰফালে থাকে। পতাকাখন উত্তোলন কৰাৰ সময়ত সেই স্থানত উপস্থিত থকা সকলোৱে থিয় হৈ ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত গাব লাগে। পৰম্পৰাগত নিয়ম অনুসৰি ৰাষ্ট্ৰীয় সংগীতটো ৫২চেকেণ্ডৰ ভিতৰত গাই শেষ কৰিব লাগে। এই ৰাষ্ট্ৰীয় পতাকাখন ভাৰতৰ উচ্চতম আৰু উচ্চ ন্যায়ালয়, সচিবালয়, সংসদ ভৱন আৰু বিধানমণ্ডলত সদায় উত্তোলন কৰি ৰখা হয়।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত ১৯৫০ চনৰ ২৫ জানুৱাৰীত বাৰাণসীৰ ওচৰৰ সাৰনাথত থকা অশোক স্তম্ভটোক ভাৰতৰ ৰাষ্ট্ৰীয় প্ৰতীক হিচাপে গ্ৰহণ কৰিছে। ৰষ্ট্ৰীয় প্ৰতীকটোৰ দুটা অংশ আছে ঃ চূড়া আৰু ভেটি। চূড়াত চাৰিটা সিংহই থিয় হৈ আছে। স্তম্ভটোৰ ভেটিৰ বাওঁ অংশত এটা ঘোঁৰা আৰু সোঁফালে এটা ষাঁড় গৰুৰ মূৰ্তি আছে আৰু ইয়াৰ মাজত অশোক চক্ৰটো আছে। ঘোঁৰাই শক্তি আৰু ষাঁড়গৰুটোৱে কঠোৰ শ্ৰমৰ প্ৰতিনিধিত্ব কৰিছে। স্তম্ভটোৰ তল অংশত দেৱনাগিৰি আখৰেৰে ‘সত্যমৱে জয়তে’ (সত্যৰ সদায় জয়) কথাষাৰ লিখা আছে। এই ৰাষ্ট্ৰীয় প্ৰতীকটো ভাৰত চৰকাৰৰ চীল (মোহৰ) হিচাপে ব্যৱহাৰ কৰা হয়।




ভাৰতবৰ্ষই বাঘ (ৰয়েল বেংগল টাইগাৰ)ক ৰাষ্ট্ৰীয় জন্তু হিচাপে গ্ৰহণ কৰিছে। এই জন্তুটোৱে শক্তি আৰু সাহসক প্ৰতিনিধিত্ব কৰিছে।




১৯৬১ চনত ভাৰতবৰ্ষই ময়ুৰ চৰাইক ভাৰতৰ ৰাষ্ট্ৰীয় চৰাইৰ মৰ্যদা প্ৰদান কৰিছে। ইয়াক সৌন্দৰ্য আৰু গাম্ভীৰ্যৰ প্ৰতীক হিচাপে গণ্য কৰা হয়।



ভাৰতবৰ্ষই পদুম ফুলক ৰষ্ট্ৰীয় ফুল হিচাপে গ্ৰহণ কৰিছে। পদুম ফুল ভাৰতৰ সকলো ৰাজ্যতে পোৱা যায়। এই ফুলটোৱে ভাৰতৰ পৱিত্ৰতা আৰু সৌন্দৰ্যৰ প্ৰতিনিধিত্ব কৰিছে।

১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ সংবিধান সভাই কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে ৰচনা কৰা ‘জনগণ মন অধিনায়ক জয় হে’ নামৰ গীতটো ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত হিচাপে গ্ৰহণ কৰে।

সাধাৰণতে ভাৰতৰ জাতীয় পতাকাখন উত্তোলন কৰাৰ লগে লগে এই সংগীতটো গোৱা হয়। অৱশ্যে দেশৰ কোনো গুৰুত্বপূৰ্ণ অনুষ্ঠান, সভা-সমিতি আদি অন্ত পৰাৰ লগে লগে সমবেত সকলোৱে থিয় হৈ সমস্বৰে এই সংগীত গোৱাৰ পৰম্পৰা চলি আহিছে। ভাৰতৰ ৰাষ্ট্ৰীয় সংগীতটো হ’ল ঃ



জন-গণ-মন অধিনায়ক জয়হে
ভাৰত- ভাগ্য- বিধাতাঙ্গ
পঞ্জাৱ-হিন্দু-গুজৰাট-মাৰাঠা
দ্ৰাবিড়-উৎকল-বঙ্গ
বিন্ধ্য-হিমাচল-যমুনা-গঙ্গা
উচ্ছল-জলধি-তৰঙ্গ,
তবশুভ নামে জাগে,
তবশুভ আশিষ মাগে,
গাহে তব জয় গাঁথা।
জন-গণ-মঙ্গল দায়ক জয়হে
ভাৰত ভাগ্য বিধাতাঙ্গ
জয় হে, জয় হে, জয় হে
জয়, জয়, জয়, জয় হে।।

ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত আৰু প্ৰতীকসমূহে ভাৰতৰ সাৰ্বভৌমত্ব, একতা, শক্তি, সামৰ্থ, লক্ষ্য, আদৰ্শ আৰু ঐতিহ্যক বহন কৰিছে। আমি আমাৰ ৰাষ্ট্ৰীয় প্ৰতীকসমূহক লৈ গৌৰৱ কৰোঁ।

# অনুশীলনী

১। উত্তৰ লিখা।

(ক) ভাৰতৰ ৰাষ্ট্ৰীয় প্ৰতীকসমূহ কি কি ?

(খ) ভাৰতৰ জাতীয় পতাকাখন কি কাপোৰেৰে তৈয়াৰী ?

(গ) ভাৰতৰ জাতীয় পতাকাৰ ৰং কেইটা আৰু কি কি ?

(ঘ) ভাৰতৰ জাতীয় পতাকখন উত্তোলন কৰাৰ সময়ত ইয়াৰ কোনটো ৰং ওপৰমুৰা হৈ থাকিব লাগে ?

(ঙ) ভাৰতৰ জাতীয় পতাকাখন ক'ত ক'ত সদায় উত্তোলন কৰি ৰখা হয় ?

(চ) ভাৰতৰ ৰাষ্ট্ৰীয় প্ৰতীকটোৰ নাম কি ? ইয়াক কেতিয়া ৰাষ্ট্ৰীয় প্ৰতীক হিচাপে গ্ৰহণ কৰা হয় ?

(ছ) ভাৰতৰ ৰাষ্ট্ৰীয় প্ৰতীকখনৰ তল অংশত কি বাণী লিখা আছে?

(জ) ভাৰতৰ ৰাষ্ট্ৰীয় ফুল কি ?

(ঝ) ভাৰতৰ ৰাষ্ট্ৰীয় ফুলটোৱে কি তাৎপৰ্য বহন কৰিছে?

(ঞ) ভাৰতৰ ৰাষ্ট্ৰীয় জন্তু কি ? ই কিহক প্ৰতিনিধিত্ব কৰিছে?

(ট) 'জনগণ মন অধিনায়ক জয়হে' গীতটোক কেতিয়াৰ পৰা ভাৰতৰ ৰাষ্ট্ৰীয় সংগীতৰ মৰ্যদা দিয়া হৈছে?

(ঠ) ভাৰতৰ জাতীয় সংগীতটো কেতিয়া গোৱা হয় ?

(ড) ভাৰতৰ জাতীয় পতাকাখনৰ সোঁমাজত থকা অশোক চক্ৰটো ত কেইডাল দণ্ড আছে। চক্ৰটোৱে কি অৰ্থ বহন কৰিছে?


৩। ভাৰতৰ জাতীয় পতাকাখনৰ ৰং তিনিটাই কি কি তাৎপৰ্য বহন কৰিছে লিখা।

৪। ভাৰতৰ ৰাষ্ট্ৰীয় প্ৰতীকখনত কি কি ছবি আছে। সেইবোৰৰ তাৎপৰ্য বৰ্ণনা কৰা।

০ ০ ০

# পাঠ- ১১

# অসমৰ বাঁহ-বেত শিল্প




প্ৰকৃতিসৃষ্ট জীৱৰ ভিতৰত মানুহেই হৈছে একমাত্ৰ জীৱ যাৰ এক উদ্ভাৱনী শক্তি আছে। মানুহে নিজৰ দৈনন্দিন জীৱন সুন্দৰ, সুখকৰ আৰু আৰামদায়ক কৰিবলৈ নিজৰ উদ্ভাৱনী শক্তিৰ দ্বাৰা নানা ধৰণৰ বস্তু তৈয়াৰ কৰি ল'ব পাৰে। উদাহৰণস্বৰূপে আমি গছ-গছনিৰ পৰা পোৱা কাঠৰ সহায়ত চকী, মেজ, চিয়াৰ, ঘৰ-দুৱাৰ আদি সাজি লওঁ। এইবোৰ বস্তু কাঠেৰে সজোৱাৰ উপৰিও আমি বাঁহ আৰু বেতেৰেও তৈয়াৰ কৰি ল'ব পাৰোঁ। ভাৰতীয় ৰাজ্যসমূহৰ ভিতৰত বাঁহ-বেতৰ শিল্পত অসম অগ্ৰগণ্য।

অসমৰ হাবি-বননিত প্ৰচুৰ পৰিমাণে বাঁহ-বেত পোৱা যায়। এই বাঁহ-বেতৰ সহায়ত অসমৰ শিল্পীসকলে দৈনন্দিন জীৱনত প্ৰয়োজনীয় নানান সা-সঁজুলি তৈয়াৰ কৰি লয়। আমি নিতৌ ব্যৱহাৰ কৰা ডলা, চালনী, খৰাহি, বাঢ়নী, মূঢ়া আদি বাঁহ-বেতেৰে তৈয়াৰী।




মাছ ধৰা সঁজুলিবোৰ যেনে ঃ খালৈ, জাকৈ, পল, জুলুকি আদিও বাঁহেৰে

সজা হয়। অসমৰ থলুৱা বাদ্য যন্ত্ৰ যেনে ঃ গগনা, বাঁহী, টকা, ঢোলৰ মাৰি আদি বাঁহেৰেই তৈয়াৰ কৰি লোৱা হয়।





ঘৰত সজোৱা কিছুমান বস্তু যেনে ঃ ফুলদানি, জাপি, শৰাই, বেগ, বিচনী আদিৰ উপৰিও মহিলাসকলে পৰিধান কৰা খাৰু, বালা আদিও অসমৰ শিল্পীসকলে বাঁহেৰে সাজি উলিয়ায়। অসমৰ নলবাৰী জিলা বাঁহ-বেতৰ বিভিন্ন বস্তু আৰু জাপিৰ বাবে জনাজাত। সেইদৰে অসমৰ জিলাসমূহৰ ভিতৰত কাছাৰ জিলা বেতৰ বস্তু উৎপাদনত অগ্ৰগণ্য।

অসমৰ এক ঐতিহ্যবাহী শিল্প হৈছে হস্ততাঁত শিল্প। অসমৰ গাওঁ অঞ্চলৰ প্ৰায়ভাগ মানুহৰ ঘৰতে তাঁত-শাল আছে। তাঁত-শাল এখনত কাঠ, বাঁহ, বেত আদিৰে সজা বহুত সৰু-ডাঙৰ সঁজুলি ব্যৱহাৰ কৰা হয়। অসমৰ শিপিনীয়ে তাঁত-শালত এৰী, মুগা আৰু কপাহী কাপোৰ বৈ উলিয়ায়। অসমৰ পাট, মুগা

আৰু এৰী কাপোৰ বিশ্ব বিখ্যাত। অসমৰ শুৱালকুছি আৰু ঢকুৱাখানা পাট আৰু মুগাৰ কাপোৰৰ বাবে জনাজাত ।

অসমত উৎপাদিত বাঁহ-বেতৰ সামগ্ৰী সমগ্ৰ ভাৰততে সমাদৃত। অসমৰ বহুতো পৰিয়াল বাঁহ-বেতৰ সামগ্ৰী উৎপাদন কৰিয়েই জীৱিকা উপাৰ্জন কৰি আছে।

বৰ্তমান যন্ত্ৰ যুগত বাঁহ-বেতৰ সামগ্ৰীৰ আদৰ কিছু কমি আহিছে ফলত এই শিল্পৰ লগত জড়িত পৰিয়ালসমূহে আৰ্থিক সংকটত পৰা দেখা গৈছে। আমি অসমৰ ঐতিহ্যবাহী এই শিল্পক জীয়াই ৰাখিব লাগিব। তাৰ বাবে চৰকাৰৰ পৃষ্ঠপোষকতাৰ একান্ত প্ৰয়োজন।

## অনুশীলনী

১। উত্তৰ লিখা।

(ক) অসমীয়া সকলে নিতৌ ব্যৱহাৰ কৰা পাঁচবিধ বাঁহ-বেতৰ সামগ্ৰীৰ নাম লিখা।

(খ) বাঁহেৰে তৈয়াৰী পাঁচবিধ মাছ ধৰা সঁজুলিৰ নাম লিখা।

(গ) মহিলাসকলে পৰিধান কৰা বাঁহ-বেতেৰে তৈয়াৰী দুবিধ অলংকাৰৰ নাম লিখা।

(ঘ) অসমৰ কোনখন জিলা জাপি শিল্পত বিখ্যাত ?

(ঙ) অসমৰ শিপিনীয়ে তাঁত-শালত কি কি কাপোৰ বৈ উলিয়ায় ?

২। খালী ঠাই পূৰণ কৰা।

(ক) মানুহেই একমাত্ৰ জীৱ যাৰ ...................... শক্তি আছে।

(খ) ভাৰতীয় ৰাজ্যসমূহৰ ভিতৰত বাঁহ-বেতৰ শিল্পত ................ অগ্ৰগণ্য।

(গ) অসমৰ এক ঐতিহ্যবাহী শিল্প হৈছে ........................ ।

(ঘ) তাঁত-শালত এৰী,মুগা আৰু .................. কাপোৰ বৈ উলিওৱা হয়।

(ঙ) ................. জিলা বেতৰ বস্তু উৎপাদনত অগ্ৰগণ্য।

৩। অসমৰ তাঁত-শিল্পৰ ওপৰত এটি চমু টোকা লিখা।

০ ০ ০

## পাঠ- ১২


# আজৰি সময়ৰ সদ ব্যৱহাৰ

প্ৰায় সকলো মানুহৰে একো-একোটা প্ৰধান কাম বা কৰ্তব্য থাকে। উদাহৰণ স্বৰূপে এজন শিক্ষকৰ প্ৰধান কাম হ'ল এক নিৰ্দ্দিষ্ট সময়ত বিদ্যালয়লৈ যোৱা আৰু নিজৰ কৰ্তব্য সমাপন কৰি এক নিৰ্দ্দিষ্ট সময়ত ঘৰলৈ উভতি অহা, এজন খেতিয়কৰ প্ৰধান কাম হ'ল দিনৰ এক নিৰ্দ্দিষ্ট সময়ত পথাৰলৈ যোৱা আৰু দিনৰ কামখিনি কৰি ঘৰলৈ ওভতি অহা। সেইদৰে এজন ছাত্ৰৰ প্ৰধান কাম বা কৰ্তব্য হ'ল লিখা-পঢ়া কৰা। কিন্তু আমি গোটেই দিনটো নিজৰ প্ৰধান কামটোক লৈ ব্যস্ত নাথাকো। নিজৰ কামটো কৰি উঠাৰ পিছতো আমি যিখিনি সময় পাওঁ তাকে আজৰি সময় বোলে। অৱশ্যে ব্যক্তিভেদে আজৰি সময়ৰ পৰিমাণ কম-বেছি হ'ব পাৰে। আমি এই আজৰি সময়খিনি অবাবতে নষ্ট কৰা উচিত নহয়। কাৰণ মানৱ জীৱনৰ মূল্যায়ন আমি কৰা কামৰ দ্বাৰাহে হয়; আমি কিমান বছৰ জীয়াই থাকিলো তাৰ ওপৰত নহয়। সেয়ে আমি প্ৰতি মূহুৰ্ত সময়ৰ সদ ব্যৱহাৰ কৰিব লাগে। আমি বিভিন্ন ধৰণে আজৰি সময়ৰ সদ ব্যৱহাৰ কৰিব পাৰোঁ। যেনে ঃ

**(ক) কিতাপ, বাতৰিকাকত, আলোচনী পঢ়া ঃ**



আমি পাঠ্যপুথি পঢ়াৰ উপৰি আজৰি সময়ত আমাৰ ভাললগা কিতাপ, আলোচনী, বাতৰি কাকত আদি পঢ়ি আজৰি সময়ৰ সদ ব্যৱহাৰ কৰিব পাৰোঁ। এইবোৰ অধ্যয়নে আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰে। দেশ-বিদেশৰ খা-খবৰ লাভ কৰিব পাৰোঁ। কিতাপ পত্ৰ হৈছে থুপাই থোৱা ধনভঁৰালৰ নিচিনা। কিতাপত জ্ঞানী মানুহৰ জীৱনৰ অভিজ্ঞতা আৰু নানা তথ্য পোৱা যায়। সেইবোৰ অধ্যয়ন কৰি আমি অতীত আৰু বৰ্তমানৰ বিষয়ে জানিব পাৰোঁ আৰু সেই অভিজ্ঞতাবোৰ আমাৰ জীৱনত কামত লগাব পাৰোঁ। ইয়াৰ উপৰিও এইবোৰ অধ্যয়নে আমাৰ ভাষা শক্তিও বৃদ্ধি কৰে।

**খেলা-ধূলা কৰাঃ** আজৰি সময়ত আমি নানান ধৰণৰ খেল-ধেমালি কৰিব পাৰোঁ। সাধাৰণতে ছাত্ৰ-ছাত্ৰীসকলে ঘৰৰ বাহিৰত খেলিব পৰা খেল-ধেমালিহে কৰিব লাগে। খেল-ধেমালিয়ে আমাৰ মন সতেজ কৰাৰ উপৰিও ইয়াৰ দ্বাৰা শৰীৰ চৰ্চাও হয়, লগৰীয়াৰ লগত একতা আৰু মিলা-প্ৰীতিভাৱ আদি বৃদ্ধি পায়।

**হাতৰ কাম ঃ** আজৰি সময়ৰ সদ ব্যৱহাৰ হিচাপে ল'ৰা-ছোৱালীয়ে বিভিন্ন ধৰণৰ হাতৰ কাম শিকিব পাৰে। যেনে ঃ চিলাইৰ কাম, বাঁহ-বেতৰ কাম-কাজ, পুতলা সজা, ছবি অঁকা, মা-দেউতাক সিহঁতৰ দৈনন্দিন কাম-কাজত সহায় কৰা আদি কাম কৰিব পাৰে। এনে কামত আৰ্থিকভাৱে পৰিয়াল এটাই অলপ সকাহ পোৱাৰ উপৰিও ভৱিষ্যতৰ বাবে জীৱিকাৰ পথো মুকলি হ'ব পাৰে।





**ডাক-টিকক, মুদ্ৰা আদি সংগ্ৰহ ঃ** আজৰি সময়ত ছাত্ৰ-ছাত্ৰীসকলে ডাক টিকট, পুৰিণ মুদ্ৰা সংগ্ৰহ কৰিব পাৰে বা বাতৰি কাকতৰ পৰা নিজৰ ভাল লগা তথ্য বা বা-বাতৰি আদি কাটি সংগ্ৰহ কৰি ৰাখিব পাৰে। এইবোৰ কাম-কাজে মনত আনন্দ দিয়াৰ উপৰিও নিজৰ ব্যক্তিত্বৰ ওপৰত ইতিবাচক ছাপ পেলায়।

এইবোৰৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ভাই-ভনী বা তলৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক লিখা-পঢ়াত সহায় কৰিব পাৰে।

মুঠতে আমি পোৱা আজৰি সময়খিনি নানান ধৰণৰ গঠন মূলক কাম-কাজত ব্যস্ত থাকিব লাগে। আজৰি সময়ত কৰা আমাৰ আনন্দদায়ক কাম-কাজক ইংৰাজীত ‘হবি’ (Hobby) বোলে।

## অনুশীলনী

১। উত্তৰ লিখা।

(ক) আজৰি সময় কাক বোলে?

(খ) কিতাপ, বাতৰি কাকত, আলোচনী আদি অধ্যয়ন কৰি আমি কিদৰে উপকৃত হ’ব পাৰোঁ?

(গ) খেলা-ধূলাৰ দ্বাৰা আমাৰ কি কি লাভ হয়?

(ঘ) আজৰি সময়ত ছাত্ৰ-ছাত্ৰীসকলে কি কি হাতৰ কাম শিকিব পাৰে?

(ঙ) ‘হবি’ কাক বোলে?

২। খালী ঠাই পূৰণ কৰা।

(ক) প্ৰায় সকলো মানুহৰে একো-একোটা প্ৰধান কাম বা ................. থাকে।

(খ) ছাত্ৰৰ প্ৰধান কাম বা কৰ্তব্য হ’ল ................... কৰা।

(গ) আমি প্ৰতি মূহুৰ্ত সময়ৰ ............. ব্যৱহাৰ কৰিব লাগে।

(ঘ) কিতাপত জ্ঞানী মানুহৰ ................ অভিজ্ঞতা আৰু নানা ............... পোৱা যায়।

(ঙ) ............... হৈছে থুপাই থোৱা ধন ভঁৰালৰ নিচিনা।

৩। আমি কিদৰে আজৰি সময়ৰ সদ ব্যৱহাৰ কৰিব পাৰোঁ পাঁচটামান বাক্যত লিখা।

o o o